অকণির সাধু

SARBANANDA SINGHA

Name of the member	Roll No	
1/ Haripriya Phukan	15	(UP Arts)
2/ Bidisha Handique	02	(LP)
3/ Loren Sonowal	04	(UP Science)
4/ Nibedita Dey	19	(UP Arts)
5/ Rajkishun Phukan	05	(LP)
6/ Rajat Mahato	01	(LP)
7/ Aarti Mishra	10	(UP Arts)
8/ Priyanka Dangoria	07	(LP)
9/ Rajani kumari	22	(LP)
10/ Dulu Moran	28	(LP)
11/ Simi khanikor	24	(UP Arts)
12/ Nirmali Gogoi	20	(LP)
13/ Bhagyashree Sonowal	14	(UP Arts)

কাউৰীৰ ভেম

অসমত এখন হাবিত ঘৰচিৰিকা, কাউৰী, মাইনা, মঁৰা, শালিকা, কপৌ, জেটৌ আদি বিবিধ চৰায়ে একেলগে বাস কৰিছিল। ইয়াৰে মঁৰা চৰাই আছিল আটাইতকৈ ধুনীয়া। ধুনীয়া ধুনীয়া পাখিবোৰেৰে মঁৰা চৰাইৰ সুন্দৰ ৰূপটো দেখি কাউৰীৰ বৰ হিংসা হয়। কাউৰীয়ে ভাবে, 'ময়ো যদি দেখিবলৈ তেনেকুৱা হ'লোহেতেন!'

এদিনাখন কাউৰীয়ে বহুতো মঁৰা চৰাইৰ ধুনীয়া পাখি পালে। সি পাখিবোৰ দেখি ভাবিলে, 'এই পাখিবোৰ গাত লগাই লৈলে ময়ো ভাগে মঁৰা চৰাইৰ দৰে ধুনীয়া হ'ম। সকলোৱে মোকো মঁৰা বুলি ভাবি ভাই থাকিব।' এইবুলি কাউৰীয়ে

ময়ূৰ চৰাইৰ পাখিবোৰ তাৰ গাত গুজি লৈলে। তাৰ পাছত সি ময়ূৰবোৰৰ ওচৰলৈ গ'ল।

ময়ূৰবোৰে কাউৰীৰ দৰে কলা আৰু ময়ূৰৰ দৰে ধুনীয়া পাখি থকা চৰাইটো দেখি আচৰিত হ'ল। সিহঁতে নিজৰ মাজতে কোৱা-কুই কৰিবলৈ ধৰিলে: 'এইটো আকৌ কি চৰাই আহিল? ময়ূৰও নহয়, কাউৰীও নহয়।' তাক আটাইবোৰ ময়ূৰই বৰকৈ খুটিলে। সিহঁতে খুটাৰ ফলত কাউৰীও গুজি লোৱা ময়ূৰৰ পাখিবোৰতে সৰিলেই তাৰ নিজৰো বহুতো পাখি হেৰুৱাবলগীয়া হ'ল।

কাউৰীটোৱে ময়ূৰৰ খোঁট খাই বিষে-কোপে আধামৰা হৈ লগৰ কাউৰীবোৰৰ মাজলৈ ঘূৰি আহিল। ইফালে আকৌ কাউৰীবোৰেও ছাল-বাকলি নোহোৱা কাউৰীটো দেখি সিহঁতৰ মাজৰ পৰা তাক খেদি পঠিয়ালে। ময়ূৰ হ'বলৈ ঘোৱা কাউৰীটোৱে শেষত কাউৰীৰ মাজতো ঠাই হেৰুৱালে॥

"পৰৰ ভাল দেখি হিংসা কৰিলে নিজৰে বিপদ হয়।"

শিয়াল আৰু ভালুক

অখন হাবিত এটা শিয়াল আৰু এটা ভালুক আছিল। দুয়োৰে মাজত বৰ মিল। দুয়ো একেলগে থাকে, একেলগে ফুৰে। মুঠতে এজনক এৰি আনজনে থাকিবই নোৱাৰে। এদিনাখন দুয়ো ঘূৰি ফুৰি এখন মৰিশালীৰ ওচৰ পালেগৈ। তাতে আধাপোৰা শৱদেহ এটা পৰি আছিল। আগদিনাখন সেইখন মৰিশালীলৈ এদল শৱযাত্ৰী আহিছিল। তেওঁলোকে শৱটো পুৰিবলৈ লওঁতেই বৰ জোৰেৰে বতাহ-বৰষুণ আহিল। তেওঁলোক ঘৰা-ঘৰি গুচি যাব

লগা হ'ল। ফলত শঁপে আৰাপোৰাকৈয়ে থাকি গ'ল। আৰাপুৰা শঁপো দেখি শিয়াঁলৰ বৰ ফূৰ্তি লাগিল। সি তাৰ বন্ধু ভালুকক কলে, "চোৱা বন্ধু, মানুহটো কি বুনীয়া স্বাস্থ্যৰ। আবলৈ বেচ ভাল হ'ব। বলা আমি দুয়ো মহাভোজ আৰম্ভ কৰো।—কৈ কৈ শিয়াঁলৰ লোভত জিভাৰ পানী পৰিবলৈ ধৰিলে।

শিয়াঁলৰ কথা শুনি ভালুকে নাক কোচাই কলে, "ছিঃ ছিঃ সই ইমান নীচ হ'ব নোৱাৰো দেই। মৰা মানুহ মই চুইও নাচাও।

ভালুকৰ কথা শুনি শিয়াঁলে অৱশ্যে অকণো লাজ নাপালে। বৰঞ্চ সি লগে লগেই উত্তৰ দিলে, : তুমি অৱশ্যে ঠিক কথাই কৈছা। তোমালোকে মৰা মানুহ চুইও নোযোৱা। পিছে বন্ধু তোমালোকে জীয়াই থকা মানুহকো যদি নাখালাহেঁতেন ৰব আছিল। মৰা মানুহ নাখালে জীয়াই থকা মানুহকো মাৰি আব নালাগে।

"যিজনে সকলো সময়তে
একে ব্যৱহাৰ কৰে তেওঁহে মহৎ"।